ইন্ধন-ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত ধুবুৰী-তেজপুৰত ধৰ্ণা

'আমাৰ অসম'ৰ ধুবুৰীৰ প্ৰতিবেদক, ২৫ মাৰ্চ ঃ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু অসমৰ ৰাজ্য চৰকাৰে ইন্ধনকে ধৰি ইন্ধনজাত সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ তুলি আজি ধুবুৰীত যুৱ কংগ্ৰেছৰ নেতৃত্বত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত কৰা হয়। প্ৰতীকী ৰূপে খৰিৰে ইন্ধন গেছৰ চিলিণ্ডাৰ এটা লৈ ধুবুৰী জিলাৰ যুৱ কংগ্ৰেছৰ সভাপতি আদনান হুছেইন ৰঞ্জনৰ নেতৃত্বত প্ৰতিবাদকাৰীসকলে ধুবুৰীৰ বাণীৰ অৱন্তী সমীপৰ ৰাজপথৰ বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে উত্তাল কৰি তোলে।

'আমাৰ অসম'ৰ ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ ঃ দেশৰ কেন্দ্ৰীয় চৰকাৰে ইন্ধন আৰু ৰন্ধন গেছৰ অস্বাভাৱিক হাৰত মূল্যবৃদ্ধি ঘটোৱাৰ বিৰুদ্ধে আজি বিক্ষোভ প্ৰদৰ্শন কৰে এছ ইউ চি আই (কমিউনিষ্ট) দলে। দলৰ বাণিজ্য কমিটিৰ আহ্বানত সময় বজাৰৰ পদূলিত তেজপুৰৰ নিকাছল চৰিআলিত দলৰ কৰ্মী-সমৰ্থকসকল সমবেত হৈ ইন্ধন ৰন্ধন গেছ আৰু বিদ্যুতৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবী জনায়। বিক্ষোভকাৰীসকলে হাতে হাতে বিভিন্ন দাবী সম্বলিত প্লেকাৰ্ড ফেষ্টুন লৈ মূল্যবৃদ্ধি প্ৰত্যাহাৰ কৰক, সঘনাই ইন্ধনৰ মূল্যবৃদ্ধি ঘটাই জনগণৰ ওপৰত অৰ্থনৈতিক আক্ৰমণ বন্ধ কৰক, মূল্য বৃদ্ধি কৰা বাৰ্ক, বিদ্যুতৰ মাচুল বৃদ্ধি প্ৰত্যাহাৰ কৰক আদি শ্লোগানেৰে বিক্ষোভস্থলী উত্তাল কৰি তোলে। পাছত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীৰ কুশপুত্তলিকা দাহ কৰে। কুশপুত্তলিকা দাহ কৰা এছ ইউ চি আই (কমিউনিষ্ট)দলৰ শোণিতপুৰ জিলা সম্পাদক অন্নপ্ৰ আচাৰ্যই। বিক্ষোভ কাৰ্যসূচীত দলৰ বাণিজ্য কমিটিৰ সদস্য জিতেন্দ্ৰ চলিহায়ো অংশ লয়।

গুৱাহাটীত ঋণ পৰিশোধ নকৰা ব্যৱসায়ীক গ্ৰেপ্তাৰ

৩ লাখ টকাৰ বেংক ঋণ অনাদায়ে পলাই ফুৰিছিল অভিযুক্ত

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ২৫ মাৰ্চ ঃ অসমৰ সমবায় খণ্ডৰ এক অগ্ৰণী বেংক নাগৰিক সমবায় বেংক লিমিটেডৰ পৰা তিনি লাখ টকাৰ ঋণ লৈ সময় মতে ঋণ পৰিশোধ নকৰা গুৱাহাটীৰ পাণ্ডু পোৰ্ট ৰোডৰ নিবাসী যুক্ত উমৰ স্বত্বাধিকাৰী সঞ্জয় দে নামৰ লোকজনক জালুকবাৰী থানাৰ আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰে। সঞ্জয় দে নামৰ ঋণগ্ৰহণকাৰীয়ে ঋণ পৰিশোধ নকৰাত তেওঁৰ বিৰুদ্ধে ২০১৮ চনৰ ১৮ এপ্ৰিলত সমবায় বাৰ্তাইই আদালতত ৩,৩০,৩০৯ টকা আদায়ৰ দাবী তুলি এক গোচৰ কৰ্জু কৰা হৈছিল। বাৰ্তাইই আদালতৰ নিৰ্দেশক্ৰমে কেৱল নকৰি পলাই ফুৰা সঞ্জয় দেক আজি জালুকবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। বেংক কৰ্তৃপক্ষই এনে পদক্ষেপ ধাৰাবাহিকভাৱে এতিয়াৰ পৰা গ্ৰহণ কৰি যাব বুলি প্ৰকাশ। বেংক কৰ্তৃপক্ষই ইয়াৰ দ্বাৰা অন্যান্য ঋণ খিলাপিসকলক সময় মতে ঋণ পৰিশোধ কৰিবলৈ অনুৰোধ জনায়। অন্যথা তেওঁলোকৰ বিৰুদ্ধেও কঠোৰ আইনী ব্যৱস্থা লব বুলি লগতে সকীয়াই দিয়ে।

জাতিভিত্তিক জনজাতিকৰণৰ দাবীত আদিবাসী মহাসভাৰ ধৰ্ণা। মুকলমুৱত, শুকুৰবাৰে

নিউ বঙাইগাঁও জংচনত ৭১ বেগ বাৰ্মিজ চুপাৰি জব্দ

জব্দকৃত বৃহৎ পৰিমাণৰ বাৰ্মিজ চুপাৰি

'আমাৰ অসম'ৰ বঙাইগাঁৱৰ বিশেষ প্ৰতিনিধি, ২৫ মাৰ্চ ঃ নিউবঙাইগাঁও জংচনৰ চৰকাৰী ৰেলৱে আৰক্ষী (জিআৰপিএফ) আৰু নিউ বঙাইগাঁও আৰক্ষী পৰিষ্কাৰৰ আৰক্ষীয়ে বৃহস্পতিবাৰৰ নিশা চলোৱা এক যৌথ অভিযানত নামনিমুৱা অৱধ আসাম এক্সপ্ৰেছৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহজনক বাৰ্মিজ চুপাৰি জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰ পদক্ষেপ চৰকাৰী ৰেলৱে আৰক্ষী (জিআৰপিএফ) আৰু নিউ বঙাইগাঁও আৰক্ষী পৰিষ্কাৰৰ আৰক্ষীয়ে নিশাৰ ভাগত নামনিমুৱা অৱধ আসাম এক্সপ্ৰেছত তলাচী চলায়। তলাচীকালত অবৈধভাৱে সৰবৰাহ কৰা বাবে ৭১ বেগ সন্দেহজনক বাৰ্মিজ চুপাৰি উদ্ধাৰ জব্দ কৰা বুলি নিউবঙাইগাঁও জংচনৰ জি আৰ পিএফৰ বিষয়া সঞ্জীৱ চৌধুৰীয়ে প্ৰকাশ কৰিছে। চৰকাৰী ৰেলৱে আৰক্ষী বিষয়া চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, এক চোৰাং চক্ৰই নাগালেণ্ডৰ ডিমাপুৰত চুপাৰিৰ বেগসমূহ অৱধ আসাম এক্সপ্ৰেছত উঠাইছিল আৰু বঙালদেশলৈ লৈ গৈ আছিল। এই সন্দৰ্ভত চৰকাৰী ৰেলৱে আৰক্ষীয়ে এটি গোচৰ কৰ্জু কৰি তদন্ত অব্যাহত ৰাখিছে।

মাজবাটত দোকানৰ ভিতৰতে ব্যৱসায়ীৰ আত্মহত্যা

ব্যৱসায়ী সন্থাৰ শোক

'আমাৰ অসম'ৰ ওদালগুৰি প্ৰতিবেদক, ২৫ মাৰ্চ ঃ মাজবাট নগৰৰ পৰা নিবাসী প্ৰয়াত কলিত্ৰ কৰ্মকাৰৰ কনিষ্ঠ পুত্ৰ সঞ্জয় কৰ্মকাৰে (গৌতম) ২৪ মাৰ্চ বৃহস্পতিবাৰে বাগিপুৰা ৩ বজাত ৫৪ বছৰ বয়সত নিজৰ চাহ দোকানৰ ভিতৰত আত্মহত্যা কৰে। চল্লিশ বছৰ ধৰি নিজ পুত্ৰক স্বীকৃতি দোকানৰে ব্যৱসায় কৰি তিনিজনীয়া পৰিয়ালটো অতি সুন্দৰকৈ চলাই আহিছিল। চৌৱাল বছৰ বয়সীয়া সহজ তিথীধাৰী, নম্ৰ, ভদ্ৰ অমায়িক ব্যৱসায়ীজনে কি কাৰণত এনে চৰম পন্থা বাচি ল'লে সেয়েহে জনা নাই। কৰো লগত হাই-কাজিয়া কৰাও নাছিল নাই লোকজনৰ। সেয়েহেলৈ এনে চৰম সিদ্ধান্তক কেউৰ সহপাঠী, লগ-বন্ধু, ওচৰ-চুবুৰীয়াই আকৰিক হোৱাৰ লগতে সকলোকে কন্দুৱালে। তেওঁৰ আত্মাৰ সদগতিৰ অৰ্থে আজি মাজবাট বণিক সন্থাই দিনৰ ১০ বজালৈ সকলো দোকান-পোহাৰ, ব্যৱসায়-বাণিজ্য বন্ধ ৰাখি এক শোকসভা অনুষ্ঠিত কৰে।

ধুমুহাত বিদ্যুৎ সেৱা ব্যাহত অন্ধকাৰত পৰীক্ষাৰ্থী

ক্ষতিগ্ৰস্তক সহায়ৰ আহ্বান দুই সংগঠনৰ

'আমাৰ অসম'ৰ সৰভোগৰ প্ৰতিবেদক, ২৫ মাৰ্চ ঃ বৃহস্পতিবাৰে বৰষুণ আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলত বিধ্বংসী ধুমুহাই বহু পৰিয়াল, গঞ্জন, কৃষি নষ্ট কৰাৰ লগতে বৃহৎ অঞ্চলটোত বিদ্যুতৰ খুঁটাৰ ব্যাপক ক্ষতিসাধন কৰিছে। বহু গীৰত বিদ্যুতৰ খুঁটা ভাগি পৰাৰ ফলত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকল অন্ধকাৰৰ সন্মুখীন হ'ব লগা হৈছে। ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উচিত চৰকাৰী সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা আৰু তত্ বিদ্যুতৰ খুঁটাসমূহ তাৎক্ষণিকভাৱে মেৰামতি দাবীত আজি বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাই বৰভাগ বাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি বিভূতি বৰ্মন শৰ্মা আৰু সাধাৰণ সম্পাদক মুন্না আহমেদ স্বাক্ষৰিত স্মাৰক-পত্ৰখনত উল্লেখ কৰা হয় যে ধুমুহাত বহু পৰিয়ালৰ ঘৰ-দুৱাৰৰ টিনপাত উৰুৱাই নি আশ্ৰয়হীন কৰি পেলোৱা কৰিছে। অঞ্চলটোত বিদ্যুতৰ শৰ্কী খুঁটা বাগৰি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। ফলত ক্ষতিগ্ৰস্ত হয় পৰীক্ষাৰ্থীসকল। উক্ত খুঁটাসমূহ বিদ্যুতৰ খুঁটা স্থাপন কৰাৰ লগতে ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ক্ষিপ্ৰতাৰে উচিত সাহায্য ব্যৱস্থা কৰিবলৈ অসম চৰকাৰ আৰু দুৰ্যোগ প্ৰশমন বিভাগক দাবী জনাইছে ছাত্ৰ সংগঠনটোৱে। ইফালে কালি ধুমুহাত ক্ষতিগ্ৰস্ত লোকক আৰ্থিক সাহায্য কৰাৰ দাবীত বৰভাগ বাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসম দুৰ্যোগ প্ৰশমন মন্ত্ৰীলৈ আন এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে গ্ৰামীণ বিকাশ সন্থা, বৰভাগে। স্মাৰক পত্ৰখনত স্বাক্ষৰ কৰিছে সন্থাৰ সভাপতি অৰুণ চক্ৰৱৰ্তী, সম্পাদক বঙ্কিম দাস কাৰ্যকৰী সভাপতি গণেশ নমঃশূদ্ৰ সদস্য দীপুল বৈশ্য, আলিৰ আহমেদে।

মহানগৰীত চুৰি বাইকসহ গুৱাহাটী চোৰক গ্ৰেপ্তাৰ

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ২৫ মাৰ্চ ঃ গুৱাহাটী মহানগৰীৰ লতাশিল থানাৰ অন্তৰ্গত উজান বজাৰত স্বতন্ত্ৰভাৱে আৰক্ষীয়ে অভিযান চলাই এজন গুৱাহাটী চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত গুৱাহাটী চোৰটো ৰমন আলী বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জনোৱা মতে, ধৃত চোৰটোৱে স্বতন্ত্ৰভাৱে উজানবজাৰৰ বাহু অঞ্চলত এগৰাকী মহিলাৰ মানীলোৰা চুৰি কৰিছিল। ঘটনা সন্দৰ্ভত ভুক্তভোগী মহিলাগৰাকীয়ে লতাশিল থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে এটা গোচৰ কৰ্জু কৰি তদন্ত চলাই স্বতন্ত্ৰভাৱে চোৰটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত চোৰটোৰ সোধ-পোছ কৰাৰ অন্তত আৰক্ষীয়ে এখন চুৰি এলটো আৰু দুখন চুৰি বাইক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ যে আৰক্ষীয়ে উদ্ধাৰ কৰা এলটো বাহনখন কইমাৰ পৰা চুৰি হৈছিল। ঘটনা সন্দৰ্ভত লতাশিল থানাত আৰক্ষীয়ে ৩০/২২ নম্বৰত এটা গোচৰ কৰ্জু কৰি তদন্ত অব্যাহত ৰাখিছে।

হিন্দুস্থান পেপাৰ কৰ্পোৰেশন লিমিটেডৰ সম্পত্তি বিক্ৰীৰ জাননী- ইন লিকুইডেশন

[illegible]

[illegible]	বিৱৰণ/অৱস্থান	লট	[illegible]	[illegible]
[illegible]	[illegible]	লট-১	[illegible]	[illegible]
[illegible]	[illegible]	লট-২	[illegible]	[illegible]
[illegible]	[illegible]	লট-৩	[illegible]	[illegible]
[illegible]	[illegible]	লট-৪	[illegible]	[illegible]
[illegible]	[illegible]	লট-৫	[illegible]	[illegible]

[illegible] http://hindpaper.in [illegible] https:// ncltauction.auctiontiger.net [illegible] kuverma@gmail.com/liquidation.hpcl@gmail.com [illegible]

IBBI Regn No.IBBI/IPA-001/IP-P00014/2016-17/10038

[illegible] kuverma@gmail.com

বিশিষ্ট সমাজ শিক্ষা সংগঠক হলধৰ গোস্বামীৰ মৃত্যু



হলধৰ গোস্বামী

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ২৫ মাৰ্চ ঃ কামৰূপ জিলাৰ কৈঠালকুছি নিবাসী বিশিষ্ট সমাজ আৰু শিক্ষা সংগঠক ভাৰতীয় ৰেলৰ প্ৰাক্তন লোৱাধিকাৰী হলধৰ গোস্বামীৰ শুকুৰবাৰে বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৩ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ, বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী, আত্মীয় স্বজনক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

বঙাইগাঁৱত ৭৫ হাজাৰ টকাসহ ৯ জুৱাৰীক আটক

ধন, মোবাইল, জুৱাৰ সামগ্ৰীসহ ধৃত ৯ জুৱাৰী

'আমাৰ অসম'ৰ বঙাইগাঁৱৰ বিশেষ প্ৰতিনিধি, ২৫ মাৰ্চ ঃ বঙাইগাঁও আৰক্ষীয়ে জুৱা খেলৰ বিৰুদ্ধে কঠোৰ ভূমিকা গ্ৰহণ কৰিছে। উল্লেখ্য পূজা নতুৱা উৎসৱ-পাৰ্বণ উদ্‌যাপনৰ অছিলা লৈ বঙাইগাঁও জিলাত ব্যাপকভাৱে চলি আহিছে জুৱা। অবৈধ জুৱা খেল বন্ধ কৰাৰ বাবে আৰম্ভ কৰিছে অভিযান। বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত চিৰাং আৰু বঙাইগাঁও জিলাৰ সীমাৱৰ্তীয়া জোলাইগাঁৱত বৃহস্পতিবাৰৰ সন্ধ্যাৰ ভাগত অবৈধ জুৱা খেলৰ বিৰুদ্ধে বঙাইগাঁও আৰক্ষীৰ এটা দলে অভিযান চলাই জুৱা খেল উৎখাত কৰে। অভিযানকাৰী দলে লগতে ৯টা জুৱাৰীক আটক কৰাৰ লগতে জুৱা খেলৰ গুটি, জুৱা খেলত ব্যৱহৃত বিভিন্ন সামগ্ৰী, নগদ ধন, মোবাইল আদি জব্দ কৰে। এই সন্দৰ্ভত বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উৎপল কলিতাই 'আমাৰ অসম'ক জানিবলৈ দিয়া মতে বঙাইগাঁও আৰক্ষীয়ে যোৱা এসপ্তাহৰ পৰা বিভিন্ন পূজা, ধৰ্মীয় অনুষ্ঠান আদিৰ অছিলাৰে চলি থকা জুৱা খেলৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰা হৈছে। তিনি - চাৰি দিন আগ পূৰ্বে জুৱা খেলৰ লগত জড়িত পাঁচটাক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। বৃহস্পতিবাৰে চিৰাং আৰু বঙাইগাঁও জিলাৰ সীমাৱৰ্তীয়া জোলাইগাঁৱত দৌল উৎসৱৰ সুবিধা লৈ প্ৰায় ৩০ লক্ষাধিক জুৱা খেল চলি আছিল। এই বিষয়ে নিউ বঙাইগাঁও আৰক্ষী পথাৰ চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সুৰুপ ঘোষে লাভ কৰা তথ্যৰ ভিত্তিত বঙাইগাঁও আৰক্ষীৰ এটা বৃহৎ দলে আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ নেতৃত্বত এই অবৈধ জুৱা খেলৰ বিৰুদ্ধে অভিযান চলায়। সামৰিক আৰু অসামৰিক পোচাকত যোৱা অভিযানকাৰী আৰক্ষীৰ দল উপস্থিত হোৱাৰ লগে লগে জুৱাহালীৰ পৰা হুৰমুৰ দিয়ে জুৱাৰীৰ লগতে খেলি থকা লোকসকল। তাৰ মাজতে আৰক্ষীয়ে ৯টা জুৱাৰীক আটক কৰে। লগতে জুৱাহালীৰ পৰা পাঁচখন জুৱা খেলৰ তম্বু গুটি, জুৱা খেলত ব্যৱহৃত বিভিন্ন সামগ্ৰী, টিপিল, নগদ ৭৫ হেজাৰ টকা, ১২টা মোবাইল আদি জব্দ কৰে। আৰক্ষীয়ে জুৱাহালীৰ পৰা আটক কৰা জুৱাৰী কেইটা হ'ল বঙাইগাঁও চহৰৰ বলুৱাপাৰৰ পৰেশ দাস, বিশ্বজিৎ ৰায়, খাগিৰৰ জোলাইগাঁৱৰ ভৰত মাহাতো, চিৰাং জিলাৰ চালিগাঁৱৰ ৰতন ৰক্ষা, লতেন বৰ্মন, বিজনী কাজলগাঁৱৰ সুব্ৰত ৰায়, ভটো ৰায়, ১নং কাজলগাঁৱৰ সমৰকান্ত ৰায় আৰু কোকৰাঝাৰ জিলাৰ গোতকা পদেশ্বৰ ৰক্ষ। আটকবীন কেইজনৰ বিৰুদ্ধে ইতিমধ্যে আৰক্ষীয়ে এক গোচৰ কৰ্জু কৰে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে জানিবলৈ দিয়া মতে জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত ৰাখিব আৰু ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে বিভিন্ন সময়ত আৰক্ষীয়ে জুৱাৰ আড্ডা পাই উৎখাত কৰিবলৈ যাব যদিও সফল হোৱা নাছিল।

STOCK CLEARANCE SALE
Sale UPTO 50% OFF
Sale FLAT 20% OFF
GHAR
(A Unit of Sajawat Business Pvt. Ltd.)
Panbazar, Guwahati-1, Ph : 9706099652
FURNITURE : HOME & OFFICE | FURNISHINGS | GIFT ITEMS

fssai ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্ৰাধিকৰণ
অনুপ্ৰেৰণাদায়ক বিশ্বাস, নিৰাপদ আৰু পুষ্টিকৰ খাদ্যৰ আশ্বাস
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়, ভাৰত চৰকাৰ

খাদ্য ব্যৱসায়ৰ জাননী
সন্দৰ্ভ - অনুজ্ঞাপত্ৰৰ বাধ্যতামূলক সংশোধন
শেষ তাৰিখ - ৩১ মাৰ্চ, ২০২২

কোনে তেওঁলোকৰ অনুজ্ঞাপত্ৰ সংশোধন কৰিব লাগিব?

১। পুৰণি পদ্ধতিৰ জৰিয়তে জাৰি কৰা (এফএলআৰএছৰ পৰা মঞ্জুৰ কৰা) অনুজ্ঞাপত্ৰ থকা নিৰ্মাতাসকলে (ৰিপেকাচ আৰু ৰিলেবেলাচকে ধৰি) এফছ'এছচিঅ'এছৰ প্ৰডাক্ট চিলেকচন পদ্ধতিলৈ স্থানান্তৰ কৰিব লাগিব।

২। পুষ্টিজনক, স্বাস্থ্য পৰিপূৰক, বিশেষ খাদ্য আৰু মেডিকেল ব্যৱহাৰৰ খাদ্য, কাৰ্যক্ষম আৰু ন'ভেল খাদ্য বিধিৰ অধীনত প্ৰডাক্টৰ বাবে ৰাজ্যিক অনুজ্ঞাপত্ৰধাৰী নিৰ্মাতাসকলে কেন্দ্ৰীয় অনুজ্ঞাপত্ৰলৈ স্থানান্তৰ কৰিব লাগিব।

- সংশোধনত অনুজ্ঞাপত্ৰৰ নম্বৰ সলনি নহ'ব

১ এপ্ৰিল ২০২২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ - ওপৰত উল্লেখিত নিৰ্মাতাসকলক (যিসকলে তেওঁলোকৰ অনুজ্ঞাপত্ৰ সংশোধন কৰা নাই) তেওঁলোকৰ বৰ্তিত অনুজ্ঞাপত্ৰৰ নবীকৰণ আবেদন দাখিল কৰিবলৈ অনুমতি দিয়া নহ'ব। অনুজ্ঞাপত্ৰৰ সংশোধনৰ বাবে আবেদন পত্ৰ এফছ'এছচিঅ'এছ পৰ্টেল অৰ্থাৎ https://foscos.fssai.gov.in জৰিয়তে দাখিল কৰক অথবা কোনো প্ৰশ্ন থাকিলে ১৮০০১১২১০০ নম্বৰত আমাক ফোন কৰক।

কাৰ্যবাহী সঞ্চালক (চিএছ)
এফএছএছএআই
davp/17163/12/0019/2122

GNRC Quality • Value • Trust
যিকোনো দুৰ্ঘটনাজনিত আৰু জৰুৰীকালীন ৰোগীৰ বাবে
প্ৰথম ২৪ ঘন্টা বিনামূলীয়া চিকিৎসা সেৱা*

☎1800 345 0011

উচ্ছেদিতক সংস্থাপনৰ দাবীত ধুবুৰীত কৃষক মুক্তিৰ ধৰ্মঘট

'আমাৰ অসম'ৰ বিলাসীপাৰাৰ প্ৰতিবেদক, ২৫ মাৰ্চ ঃ বিলাসীপাৰাত উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপনৰ দাবীত কৃষক মুক্তিৰ উত্তাল প্ৰতিবাদ। বিলাসীপাৰা মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত বহিছিল সমৱেতভাৱে ধুবুৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে দুঘণ্টীয়া আহ্বান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। ভূমিহীন পৰিয়ালক ভূমি পট্টা প্ৰদান আৰু উচ্ছেদিত ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপন দিয়াৰ দাবীত সংগঠনটোৱে সমৱেত কৰে এই প্ৰতিবাদ। হাতে হাতে প্লে-কাৰ্ড লৈ শ শ পুৰুষ-মহিলা আৰু সংগঠনটোৰ নেতা-কৰ্মীয়ে চৰকাৰ বিৰোধী বিভিন্ন শ্লোগানেৰে উত্তাল প্ৰতিবাদ সমৱেত কৰে। উল্লেখযোগ্য ১৩ মাৰ্চত টিপাপাৰা দুবলৰ খাঁৰত বন বিভাগ আৰু বিলাসীপাৰা মহকুমা প্ৰশাসনে বন বিভাগৰ মাটিত অবৈধভাৱে বসবাস কৰা প্ৰায় ১০০ ঘৰ পৰিয়ালক উচ্ছেদ কৰিছিল। সেই উচ্ছেদিত ভূমিহীন পৰিয়ালক ভূমিপট্টা প্ৰদান আৰু পুনৰ সংস্থাপন দিয়াৰ দাবীত দুঘণ্টীয়া আহ্বান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লগতে উচ্ছেদিত বাসিন্দে। প্ৰতিবাদীসকলে বিলাসীপাৰা মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক-পত্ৰও প্ৰদান কৰে।

SUN চানভেলি হস্পিটেল VALLEY HOSPITAL
ডায়েবেটিছ ৰোগক নীৰৱ ঘাতক বুলি কয়।
ডায়েবেটিছ ৰোগীসকলে বছৰত কমেও এবাৰ সম্পূৰ্ণ শৰীৰৰ ৰোগ (Whole body check-up) পৰীক্ষা কৰাই লওক আৰু বিসঙ্গতি সমূহৰ যথোপযুক্ত চিকিৎসা সময়মতে কৰাওক।
SUN VALLEY HOSPITAL
G.S. Road, Mathura Nagar, Guawhati-781006
Ph No. 0361-2336600, 2334762, 98643-69991

FACTORY OUTLET
BAKERY PRODUCTS
NAMKEENS
BISCUITS, BREAD, BUN, MURI
and
GARDEN FRESH TEA
available at
GATTANI CONFECTIONERS
Below Hotel Jora Palace
Rajamaidam Road, Jorhat (Assam)
☎: (0376) 2321160
GATTANI'S